# ৩.০ তৃতীয় অধ্যায়
# শৰণীয়া-কছাৰীসকলৰ ৰূপতত্ত্ব আৰু শব্দভাণ্ডাৰ

### ৩.১ শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ ৰূপগত বৈশিষ্ট্য ঃ

কোনো এটা ভাষাৰ গঠনৰ ক্ষেত্ৰত যেনেদৰে ধ্বনিতত্ত্বৰ ভূমিকা অপৰিহাৰ্য, তেনেদৰে ভাষাটোৰ শৃংখলাবদ্ধ আলোচনা আৰু বিকাশৰ ক্ষেত্ৰত ৰূপতত্ত্বৰ ভূমিকাও অপৰিহাৰ্য। ৰূপতত্ত্ব হৈছে শব্দ গঠনৰ আভ্যন্তৰীণ বা ভিতৰুৱা প্ৰক্ৰিয়াৰ আলোচনা। "ৰূপতাত্ত্বিক আলোচনাত ভাষাটোত ব্যবহৃত ৰূপ বা ৰূপাংশৰ বিশ্লেষণ বিজ্ঞানসন্মত ভাবে কৰা হয়। অৰ্থাৎ শব্দ গঠন আৰু পদ পৰ্যালোচনাক ৰূপতাত্ত্বিক অধ্যয়নে সামৰি লয়।"[৫০] "কোনো বিশিষ্ট ধ্বনি বা বিশিষ্ট ধ্বনি সমষ্টিয়ে কোনো অৰ্থ প্ৰকাশ কৰিলে তাক ৰূপ বোলে।"[৫১] ধ্বনিতকৈ সাধাৰণতে ৰূপবিলাক ডাঙৰ হয়। ধ্বনিৰ অৰ্থ নাথাকে। কিন্তু দুটা বা ততোধিক ধ্বনি লগ হৈ সৃষ্টি কৰা ৰূপটোৰ অৰ্থ থাকে। ভাষাত ব্যৱহৃত যিবিলাক ৰূপে স্বাধীনভাবে অৰ্থ প্ৰকাশ কৰিব পাৰে তাক মুক্ত ৰূপ বোলে। আনহাতে যিবিলাক ৰূপে ভাষাত স্বাধীনভাবে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে বৰং আন স্বাধীন ৰূপ বা মুক্ত ৰূপৰ লগত বহিহে অৰ্থ প্ৰকাশ কৰিব পাৰে তাক যুক্ত ৰূপ বা বদ্ধ ৰূপ বোলে। যুক্তৰূপসমূহ মুক্তৰূপৰ আগত, মাজত আৰু পিছত অৱস্থান কৰিব পাৰে। মুক্তৰূপৰ আগত বহা যুক্তৰূপক উপসৰ্গ, মাজত বহিলে মধ্যসৰ্গ আৰু পিছত বহি অৰ্থ প্ৰকাশ কৰিলে পৰসৰ্গ বুলি কোৱা হয়।

কোনো এটা ভাষাৰ ৰূপসমূহৰ গঠন প্ৰণালীক ৰূপগত অধ্যয়নে সামৰি লয়। বিশেষকৈ শব্দ, পদ, বচন, লিংগ, বিভক্তি, কাৰক, প্ৰত্যয় আদিৰ বিতং আলোচনাই হ'ল ৰূপতাত্ত্বিক আলোচনা। "ভাষাত প্ৰয়োগ হোৱা ধ্বনিসমষ্টি বা অৰ্থযুক্ত শব্দ সাধন (Derivation) আৰু ৰূপৰ (Inflection) আলোচনাক ৰূপতত্ত্ব বোলে।" [৫২] অসমীয়া ভাষাৰ ৰূপগঠন পদ, বচন, লিংগ, বিভক্তি, কাৰক, প্ৰত্যয় আদিৰ সংযোগত সাধিত

---

৫০। পাঠক,ৰমেশ ঃ *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান,* পৃ. ২৮

৫১। গোস্বামী, উপেন্দ্ৰ নাথ ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ,* পৃ. ১০

৫২। গোস্বামী, গোলোক চন্দ্ৰ ঃ *ধ্বনি বিজ্ঞানৰ ভূমিকা,* পৃ. ২০

হোৱাৰ দৰে শৰণীয়া কছাৰীসকলৰো ভাষাৰ ৰূপসমূহ পদ, বচন, লিংগ, বিভক্তি, প্ৰত্যয় আদিৰ দ্বাৰা গঠিত হৈছে।

### ৩.১.১ বিশেষ্য ঃ

"যি পদে কোনো নাম বুজায় সেই পদক বিশেষ্য পদ বোলে। বিশেষ্য পদ পাঁচ প্ৰকাৰৰ ঃ জাতিবাচক, সংজ্ঞাবাচক বা নামবাচক, বস্তুবাচক, গুণবাচক, ক্ৰিয়াবাচক।" [৫৩]

### ৩.১.১.১ জাতিবাচক বিশেষ্য ঃ

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত ব্যৱহৃত জাতিবাচক বিশেষ্য কেতবোৰ হ'ল -

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| আকাখ | আকাশ |
| আদিং | টিলা |
| আদিংগিৰি | ওখপৰ্বত |
| উদ্ | উদ |
| কাটাপহু | কেটেলা পহু |
| কৰত'ৰা | কাছ |
| কেৰত'ৰা | কেৰ্কেটুৰা |
| ক'ৰা চ'ৰৈ | কৰুৱা চৰাই |
| গিৰি | পৰ্বত |
| গুৰৰি প'ক | গুবৰুৱা পোক |
| ঘঙাৰ | ঘোং |
| চ'ৰাচান | পাথৰ |
| চৰপহু | শহাপহু |
| চামুক | শামুক |

৫৩। ডেকা, ধৰ্মসিংহ ঃ *ৰচনা বিচিত্ৰা,* অসম হাইস্কুল শিক্ষক সন্থা, পৃ. ৩৩

| | |
|---|---|
| চিয়াল | শিয়াল |
| চেলা | চেল্‌মা |
| জেঠি | জিঠি/ জেঠ্‌মা |
| টিপচ চৰায় | টিপ্‌চী চৰাই |
| ঢেঁকুৰা | মতাকুকুৰ |
| ত'ৰ'তৰা | ভেকুলী |
| দীঘ্‌লা | সাপ |
| দীঘল দিঙা | উট |
| দেৰত'ৰা | ফেঁচা |
| মিক্‌ৰি/ মিকুৰি | মেকুৰী |
| হাথী | হাতী |

**৩.১.১.২ সংজ্ঞা বা নামবাচক বিশেষ্য ঃ**

যি বিশেষ্য পদে ব্যক্তিৰ বা আন কোনো নাম বুজায় তাক নামবাচক বিশেষ্য বোলে। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত নামবাচক বিশেষ্যৰ উদাহৰণ কিছু পৰিমাণে আছে। যেনে -

**স্থানবাচক ঃ**

গাছবাৰী, গহাই দোং, জোকমাৰি, পতিয়া, বৰলীয়া, বেলবাৰী, মুইমাৰি, ৰামেচুবুৰী, সেন্দুৰীঘোপা, হুটাদিয়া।

**প্ৰাণীবাচক ঃ**

উল্টামাৰী, উহাখোৰা, খোদলা, গুৰাখোৰা, চাইকেলমাৰী, টেক্‌লা, টেকেলীভাঙি, পেছমাৰী, বাছমাৰী।

**৩.১.১.৩ বস্তুবাচক বিশেষ্য ঃ**

বস্তু বা পদাৰ্থৰ নাম বুজোৱা বিশেষ্য পদক বস্তুবাচক বিশেষ্য পদ বোলে। শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত দেখিবলৈ পোৱা কেইটামান বস্তুবাচক বিশেষ্য শব্দ হ'ল -

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| উৰিচা | উঘা |
| কুটৰী/কটাৰী | কটাৰী |
| খুন্দা | খুন্দনী |
| খুন্দাবাৰী | খুন্দনীবাৰী |
| খাপৰ | যাঠি |
| খৰায়/খৰে | খৰাহি |
| খালে | খালৈ |
| গৰকা/চৰ্খা | গৰকা |
| গাজাল/তাং | গজাল |
| ঘুৰিচা | যতঁৰ |
| চাল্ঙি | চালনি |
| চেপন | চেপা |
| চেপনা | চোহৰা |
| জাকে | জাকৈ |
| ত'ৰাল | তৰোৱাল |

**৩.১.১.৪ গুণবাচক বিশেষ্য ঃ**

গুণবাচক বিশেষ্য শব্দবোৰে সাধাৰণতে গুণ, অৱস্থা আদিৰ নাম বুজায়। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত কিছু পৰিমাণে গুণবাচক বিশেষ্য শব্দ দেখা যায়। যেনে -

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| অঁকৰাচিধা | আঁকোৰগোজ |

| | |
|---|---|
| আৰৰা | চেঙা/নজনা |
| ঈৰ্ষা | দাহ |
| কাথামা/টাইদ | টান |
| খামুচী | সাহসী |
| দাগী | অপৰাধী |
| দাবাঙী | বিদ্রোহী |
| দুৰলা | দুৰ্বল |
| ধ'দ/অকৰ্মা | এলেহুৱা |
| ভয় পাগলা | ভীৰু |
| ভীমা | বলবান |
| ভীমাচন | বাহুবলী |
| ম'টা/মেদ্‌লা | শকত |
| সিয়ান | দুষ্ট |

**৩.১.১.৫ ক্ৰিয়াবাচক বিশেষ্য ঃ**

যি বিশেষ্য পদে ক্ৰিয়া বা কাৰ্যৰ নাম বুজায় তাক ক্ৰিয়াবাচক বিশেষ্য বোলে। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত ক্ৰিয়াবাচক বিশেষ্যৰ পৰিমাণ সীমিত। দুই এটাহে দেখা যায়। যেনে -

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| কান্দন | কান্দান |
| কামায় | অৰ্জন |
| খাৱান | খাৱন |
| চুমন | সেৱন |
| নাচন | নাচা |
| পিয়ন | পিখোৱা |
| বান্ধন | বন্ধন |

| | |
|---|---|
| শয়ন | শোৱা |
| শোৱন | শোৱন |
| হৰণ | বিয়োগ |
| হাঁহন | হাঁহা |

**৩.১.২ বিশেষণ ঃ**

যি পদে আন পদৰ দোষ, গুণ, অৱস্থা, পৰিমাণ আদি বুজাই তাক বিশেষণ পদ বোলে। শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত ব্যৱহৃত বিশেষণবোৰক প্ৰধানত চাৰিটা ভাগত ভাগ কৰিব পাৰি। সেইবোৰ হ'ল ---

**৩.১.২.১ সাধাৰণ বিশেষণ শব্দ ঃ**

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| অচানী | আধুনিক |
| আব্ৰা | বেঙা |
| কাইমা | সেউজীয়া |
| কেটেৰ্পা | চুটি চাপৰ |
| খামুচী | সাহসী |
| গধ্মা | ডাঠ |
| ঘেচেৰী | চুটি-চাপৰ |
| চৰ্হা | ওখ |
| চাগ্লা | উৎপতীয়া |
| চেপ্টা ন'জা | নাকচেপেটা |
| ঢেৰ | অধিক |
| হলাং | ফুটা |

**৩.১.২.২ বিশেষণীয় বিশেষণ ঃ**

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
| --- | --- |
| আঘে | আগত |
| এনাম ধ'দ | অতি এলেহুৱা |
| কলৌ লৌ/কেলেং-কেছেং | কলকলনি |
| কিচ্‌কিচা ক'লা | কিচ্‌কিচিয়া ক'লা |
| ত'ত'গৰম | প্ৰচণ্ড গৰম |
| টিক্‌টিকা ৰঙা | টিকিটিকিয়া ৰঙা |
| ভল্‌ভলীয়া বগা | অতিশয় বগা |
| বিচি/বহুত | অতিপাত |
| মস্ত জুতি | বৰ সোৱাদ |

**৩.১.২.৩ গুণবাচক বিশেষণ শব্দ ঃ**

শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত ব্যৱহৃত গুণবাচক বিশেষণসমূহ এনেধৰণৰ

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
| --- | --- |
| এইৰকম | এনেধৰণৰ |
| এন্‌কা | এনেকুৱা |
| কেইৰকম | কেনেধৰণৰ |
| কেচেম | কুৎসিত |
| কাথামা/টান | টান |
| কেন্‌কা | কেনেকুৱা |
| চমকা | সুন্দৰ |
| চাঙা | কেহা |
| তেন্‌কা | তেনেকুৱা |
| নিম্‌খা | নিমখীয়া |

| | |
|---|---|
| বেচেম | বেয়া |
| ম'টা | শকত |
| মলা/চঙী | মিঠা |
| যেন্‌কা | যেনেকুৰা |

**৩.১.২.৪ পৰিমাণবাচক বিশেষণ শব্দ ঃ**

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| এনাম | ইমান |
| কেনাম | কিমান |
| চুটা/খাটা | চুটি |
| ঢেপেৰ/ ঢেপ্‌ৰা | চাপৰ |
| তেনাম | তিমান |
| যেনাম | যিমান |
| সিনাম | সিমান |

**৩.১.৩ সৰ্বনাম ঃ**

"যিবোৰ শব্দই বচন, লিংগ, পুৰুষ আৰু মৰ্যাদা অনুসৰি ভিন্ন ৰূপ গ্ৰহণ কৰে সেইবোৰ সৰ্বনাম শব্দ।" [৫৪] মান্য অসমীয়া ভাষাৰ দৰে শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাতো সৰ্বনাম শব্দবোৰে বচন, লিংগ, পুৰুষ আৰু মৰ্যাদা অনুসৰি বেলেগ ৰূপ গ্ৰহণ কৰে যদিও তেওঁলোকে কোৱা কথিত ভাষাটোত নিজস্বতা পৰিলক্ষিত হয়।

শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত পোৱা সৰ্বনামক আলোচনাৰ সুবিধাৰ্থে পাঁচটা ভাগত ভগাব পাৰি। সেইকেইটা হ'ল -

১। পুৰুষবাচক বা ব্যক্তিবাচক সৰ্বনাম

২। স্থানবাচক সৰ্বনাম

৫৪। গোস্বামী, উপেন্দ্ৰ নাথ ঃ *অসমীয়া ভাষাৰ ৰূপকথা*, পৃ.২৫

৩। কালবাচক সৰ্বনাম

৪। বস্তুবাচক সৰ্বনাম

৫। গুণবাচক সৰ্বনাম বা বিশেষণ সৰ্বনাম

### ৩.১.৩.১ পুৰুষবাচক বা ব্যক্তিবাচক সৰ্বনাম (বচন অনুসৰি) ঃ

জনজাতিটোৰ কথিত ভাষাত পোৱা পুৰুষবাচক সৰ্বনামবোৰৰ ৰূপবোৰ এনেধৰণৰ ঃ

| পুৰুষ | একবচন | তিৰ্যক ৰূপ | বহুবচন | তিৰ্যক ৰূপ |
|---|---|---|---|---|
| উত্তম পুৰুষ | ময় (মই) | ম,- মু - | আমি/ অয়া | আমা,- অয়া- |
| দ্বিতীয় পুৰুষ(তুচ্চ) | তয়/তোয় (তই) | ত,- তো - | তয়হত/ তন্থে (তহঁতে) | তন্থ - |
| (মান্য) | তয়া/তুমি (তুমি) | তুমা,- তয়া | তয়াল'ক/তুন্হা (তোমালোক) | তয়া,- তুন |
| অধিক মান্য | অয়ো (আপুনি) | অয়ো,-আপুনা- | অয়োল'ক/আপ্নাল'ক (আপোনালোক) | অয়া,-আপ্না |
| তৃতীয় পুৰুষ | | | | |
| (তুচ্চ) পুং | সি | সিয়া,- তা- | সেন্থে/ সেন্তে (সিহঁতে) | সেন্থ- |
| স্ত্ৰী | তায়া (তাই) | তায়াক,- তাই - | তায়াহঁত, তান্হে | তায়া,- তান - |
| (মান্য) পুং/স্ত্ৰী | তয়ো (তেওঁ) | তায়া,- তেও- | তয়োল'ক/তাহ্তে (তেওঁলোক) | তয়,- তাহা - |
| (অধিকমান্য)পুং/স্ত্ৰী | তেখায়(তেখেত) | তেখায় - | তেখায়ল'ক (তেখেত সকল) | তেখায় - |

তালিকাত অন্তৰ্ভুক্ত নোহোৱা কেইটামান ব্যক্তিবাচক সৰ্বনাম হ'ল -

ইয়ো, সিয়ো, হেই, ই/ইয়ে।

### ৩.১.৩.২ স্থানবাচক সৰ্বনাম ঃ

শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত ব্যৱহৃত স্থানবাচক সৰ্বনামৰ ৰূপো ভিন্ন হোৱা দেখা যায়। উদাহৰণ স্বৰূপে --

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| অতে/ এতে | ইয়াত |
| অহায় | ইফালে |
| কহাইদি | কোনফালে |
| কহায় | ক'ত |
| কুন জাগাত | কোন ঠাইত |
| জহায়/তহায় | যেনি-তেনি |
| সহায় | সিফালে |

### ৩.১.৩.৩ কালবাচক সৰ্বনাম ঃ

কালবাচক সৰ্বনামৰ ৰূপবোৰৰ ক্ষেত্ৰতো ভিন্নতা দেখা যায়। যেনে --

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| আঘেই | আগতে |
| ইত্তে | এতিয়াই |
| ইত্তান | এইমাত্ৰ |
| ইতা | এতিয়া |
| কুনদিন | কোনদিনা |
| তিত্ই | তেতিয়া |
| তিতা | তেতিয়া |
| পৰিধিনা | পৰহি দিনা |

### ৩.১.৩.৪ বস্তুবাচক সৰ্বনাম ঃ

বস্তুবাচক সৰ্বনামৰ ৰূপৰ ভিন্নতা মনকৰিবলগীয়া। যেনে --

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| ইগ্লা | এইবোৰ |

| | |
|---|---|
| কুনগিলা | কোনবোৰ |
| জিগ্‌লা | যিবোৰ |
| সিগ্লা | সেইবোৰ |
| সেতু | সৌটো |
| এতু | এইটো |

**৩.১.৩.৫ গুণবাচক সৰ্বনাম/বিশেষণ সৰ্বনাম ঃ**

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| এইৰকম | এনেধৰণৰ |
| এন্‌কা/এংকে | এনেকুৰা |
| কেইৰকম | কেনেধৰণৰ |
| কেন্‌কা | কেনেকুৰা |
| তেন্‌কা | তেনেকুৰা |
| যেন্‌কা | যেনেধৰণৰ |

**৩.১.৪ ক্ৰিয়া আৰু ক্ৰিয়া বিভক্তি ঃ**

"যিবোৰ শব্দৰ পুৰুষ, কাল আৰু ভাৱ অনুযায়ী পৰিবৰ্তন ঘটে সেইবোৰ ক্ৰিয়া পদ।"[৫৫] ক্ৰিয়া শব্দসমূহে কোনো কাৰ্য কৰা বা নকৰা বুজায়। অসমীয়া ভাষাত বচন অনুযায়ী ক্ৰিয়া শব্দৰ কোনো পৰিবৰ্তন নহয়। ক্ৰিয়া পদসমূহত কিছুমান প্ৰত্যয় যোগ হৈ থাকে, যিয়ে বিভিন্ন কালৰ নিৰ্দেশ দিয়ে। যেনে - খা-ও, খা-ইছ-ইল-ও, খা-ম ইত্যাদি। ধাতুৰ লগত বিভক্তি যোগ হ'লে ক্ৰিয়া পদ গঠন হয়। এই বিভক্তি বোৰকে ক্ৰিয়া বিভক্তি বোলে। ক্ৰিয়া বিভক্তিবোৰ ধাতুৰ লগত যুক্ত হৈ কৰ্তাৰ কাল, ভাৱ আৰু পুৰুষ নিৰ্ণয় কৰে।

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাতো ধাতুৰ লগত ক্ৰিয়া বিভক্তি যোগ হৈ ক্ৰিয়া পদ গঠন হোৱাৰ নিয়ম মান্য অসমীয়া ভাষাতকৈ কিছু পৃথক।

৫৫। গোস্বামী, উপেন্দ্ৰ নাথ ঃ *অসমীয়া ভাষাৰ ৰূপকথা*, পৃ. ৩৪।

**পূৰ্ণভূত কাল প্ৰথম পুৰুষত ঃ**

**মান্য ভাষাত** ঃ মই খাইছিলোঁ — খা - ইছ্ - ইল - ওঁ

**কথিত ভাষাত** ঃ মই খাইছিলুং/ খাইছিলং — খা - ইছ্ -ইল - উং - অং

**স্বৰূপ বৰ্তমান কাল ঃ**

**মান্য অসমীয়া** ঃ মই কৰিছোঁ — কৰ - ইছ্ - ওঁ = কৰিছোঁ।

**কথিত ভাষা** ঃ মই কৰছং — কৰ - ছ - অং = কৰছং।

ইয়াত মান্য ভাষাত ক্ৰিয়া পদটোত (খাইছিলো) 'খা' হ'ল ধাতু - ইছ্, ইল, হ'ল কাল বাচক প্ৰত্যয় আৰু ওঁ হ'ল ক্ৰিয়া বিভক্তি। সেইদৰে কথিত ভাষাটোৰ ক্ৰিয়া পদটোত (খাইছিলুং) খা - হ'ল ধাতু, ইছ্ - ইল হ'ল কালবাচক প্ৰত্যয় উং আৰু অং হ'ল ক্ৰিয়া বিভক্তি।

ক্ৰিয়াপদ গঠনত ধাতুৰ লগত ক্ৰিয়াৰ কাল আৰু কৰ্তাৰ পুৰুষ সংযুক্ত হৈ থাকে। উদাহৰণ স্বৰূপে - কৰছং = কৰ্ - ছ - অং — কৰিছো।

ইয়াত কৰ্ হ'ল ধাতু, 'ছ' হ'ল ক্ৰিয়াৰ স্বৰূপ বৰ্তমান কালৰ প্ৰত্যয় আৰু 'অং' হ'ল প্ৰথম পুৰুষৰ নিৰ্দেশসূচক পুৰুষবাচক বিভক্তি।

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত বিভিন্ন কাল, পুৰুষ আৰু ভাৱ অনুসৰি প্ৰয়োগ হোৱা ক্ৰিয়া বিভক্তিসমূহ তলত উল্লেখ কৰা হ'ল -

| প্ৰধান কাল | কাল আৰু দশা | কালবাচক প্ৰত্যয় | উত্তম (মই) | মধ্যম তই/তুমি | নাম সি/তাই/তুমি |
|---|---|---|---|---|---|
| বৰ্তমান | অনুজ্ঞা | | | কৰ+আ | কৰ+অক |
| | নিত্য | | কৰ- আং/ঙ | কৰ-আ | কৰ-এই |
| | স্বৰূপ | ছ/ইছ/এছ | অঙ | আং/অং | ছ/ই |
| ভূত | স্বৰূপ ভূত | এল/ইছ/এছ/ইল/অং | অঙ | ল/আ | লা/আ/ক/ই |
| | অপূৰ্ণ ভূত | ইছ/ইল | অং | আং | আং |
| | সাম্ভাব্য ভূত | এল/হয়/ইল | অং | ই | এ |
| ভৱিষ্যত্ | | ইম/ইব/ব/ইবা | ম/অং | ই/আৰ | উ |

শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত থকা স্বৰান্ত আৰু ব্যঞ্জনান্ত ধাতুৰ সকলোবোৰ পুৰুষ আৰু কালত ৰূপ কৰি দেখুওৱা হ'ল -

ক. ব্যঞ্জনান্ত ধাতু 'কৰ'

| কাল | উত্তম পুৰুষ (মই) | মধ্যম পুৰুষ (তই/তুমি) | তৃতীয় পুৰুষ/নাম পুৰুষ (সি/তাই/আপুনি) |
|---|---|---|---|
| অনুজ্ঞা ভাৱ | | কৰ+অ=কৰ | কৰ+অক=কৰক |
| নিত্য বৰ্তমান | কৰ+অং=কৰং | কৰ+আ=কৰা | কৰ+এই =কৰেই |
| স্বৰূপ বৰ্তমান | কৰ্+ছ+অং=কৰ্ছং | কৰ্+ছ+আং=কৰ্ছাং | কৰ্+ছ+ই=কৰ্ছি |
| স্বৰূপ ভূত | কৰ্+ল+অং=কৰ্লং | কৰ্+ল+আ=কৰ্লা | কৰ+ল+আ+ক=কৰ্লাক |
| অপূৰ্ণ ভূত | কৰ+ইল+অং=কৰিলং | কৰ্+ইছ+ইল+আং=কৰ্ছিলাং | কৰ+ইছ+ল+এ+অং=কৰ্ছিলেং |
| সাম্ভাব্য ভূত | কৰ+ইল+অং+হয় . =কৰিলং হয় | কৰ্+লি+হয়=কৰ্লি হয় | কৰ্+ল+আক+হয় =কৰ্লাক হয় |
| ভৱিষ্যত্ | কৰ+ইম=কৰিম | কৰ+ইব/ইবা=কৰিব/কৰিবা | কৰ্+ব+অং= কৰ্বং |

### ৩.১.৫ ক্ৰিয়া বিশেষণ ঃ

যি বিশেষণ পদে ক্ৰিয়াৰ অৱস্থা, গুণ আদিক বিশেষভাবে বুজায় তাক ক্ৰিয়া বিশেষণ বোলে। শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত ব্যৱহৃত ক্ৰিয়া বিশেষণসমূহ মান্য ভাষাতকৈ কিছু পৃথক। তলত তেওঁলোকৰ কথিত ভাষাত পোৱা কালবাচক, স্থানবাচক আৰু লক্ষণবাচক ক্ৰিয়া বিশেষণ শব্দ কিছুমান দাঙি ধৰা হ'ল -

### ৩.১.৫.১ কালবাচক ক্ৰিয়া বিশেষণ ঃ

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| আঘেই | আগতে |
| ইতা/ইত্তান/ ইতানে | এতিয়াই |
| কাহানবা | কেতিয়াবা |

| | |
|---|---|
| কিতান | কেতিয়া |
| কুনদিন | কোনদিনা |
| কেইতেবাই | কেতিয়াবাই |
| তিতা/তিতানে | তেতিয়াই |
| দেৰ | পলম |
| পৰিধিনা | পৰহি দিনা |
| প্ৰতি একাবছৰ | প্ৰত্যেক বছৰ |
| প্ৰতি দুপৰে | প্ৰতিদিনে |
| প্ৰতি ৰূপৰে | প্ৰতি নিশাই |
| ফট্‌কে/ তাৰাতাৰি | সোনকালে |
| যিতান | যেতিয়া |
| যিফাল | যহায় |

**৩.১.৫.২ স্থানবাচক ক্ৰিয়া বিশেষণ ঃ**

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| অ’তে/ত’তে | ইয়াত/তাত |
| অহায় | এইপিনে, এইফালে |
| ওপৰুত | ওপৰত |
| কহায় | কোনফালে |
| তলুত | তলত |
| সহায় | সেইফালে |

### ৩.১.৬ অব্যয় ঃ

"যিবোৰ শব্দৰ পাছত বচন আৰু লিংগবাচক প্ৰত্যয় নাইবা শব্দ বিভক্তি যোগ নহয় সেইবোৰ অব্যয় শব্দ।" [৫৬] যদিও অব্যয় শব্দবোৰত কোনো বচন আৰু লিংগবাচক প্ৰত্যয় যোগ নহয়, তথাপিও কিন্তু কোনো কোনো শব্দৰ ক্ষেত্ৰত যুক্ত ৰূপ লগ-লাগি অব্যয় হিচাপে ব্যৱহৃত হয়। উদাহৰণ স্বৰূপে বিশেষ্য শব্দৰ পিছত প্ৰথমা বিভক্তি আৰু সপ্তমী বিভক্তি যোগ হৈ অব্যয় শব্দ ৰূপে ব্যৱহাৰ হয়।

অৰ্থৰ প্ৰতি গুৰুত্ব ৰাখি অব্যয় শব্দবোৰক ৮ টা ভাগত ভাগ কৰি দেখুৱাব পাৰি। যেনে -

(ক) যোজক অব্যয়

(খ) পৃথকবোধক অব্যয়

(গ) সন্দেহবোধক অব্যয়

(ঘ) ভাববোধক অব্যয়

(ঙ) আনুষঙ্গিক অব্যয়

(চ) সম্বোধনবোধক অব্যয়

(ছ) প্ৰশ্নাৰ্থক অব্যয়

(জ) সমিধানবোধক অব্যয়।" [৫৭]

শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাতো উল্লেখিত প্ৰতিবিধ অব্যয়ৰে কম বেছি পৰিমাণে শব্দ পোৱা যায়। তলত তাৰে কিছু উল্লেখ কৰা হ'ল -

**যোজক অব্যয় ঃ**

যোজক অব্যয় শব্দবোৰে দুটা শব্দ বা বাক্যৰ মাজত থাকি শব্দ দুটা বা বাক্য দুটাৰ ইটোৰ লগত আনটোৰ সম্বন্ধ প্ৰকাশ কৰে। সত্যনাথ বৰাৰ মতে যোজক অব্যয়সমূহ হ'ল - আৰু, এবং, ও, অথচ, যেনে, কাৰণ, কাৰণে, নিমিত্তে, গতিকে, হেতু, হেতুকে, এতেকে, কিয়নো, দেখি, তেন্তে, তেনেহলে ইত্যাদি। শৰণীয়া-কছাৰীসকলৰ ভাষাত ব্যৱহাৰ কৰা কেইটামান যোজক অব্যয় হ'ল -

ও, কিয়ানু, গুতিকে, তেনেহুলি, ধৰি/সতে, ৰু/আৰো, লয়/লিগি

---

৫৬। গোস্বামী, উপেন্দ্ৰনাথ ঃ *অসমীয়া ভাষাৰ ৰূপকথা,* ২০০৪, পৃ. ৫২।

৫৭। বৰা, সত্যনাথ ঃ *বহল ব্যকৰণ,* পৃ. ৭৬।

**পৃথকবোধক অব্যয় ঃ**

পৃথক বোধক অব্যয়বোৰ সাধাৰণতে দুটা শব্দ বা বাক্যক ভিন্ন কৈ দেখুৱায়। যেনে - বা, নাইবা, অথবা, কিম্বা, নতুবা, কিন্তু, তদপি, তথাপি, তেও ইত্যাদি। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত দেখা পোৱা স্বকীয় পৃথকবোধক অব্যয় কিছুমান হ'ল -

কি, কিন্তু, তথাপি, না, নহ্লিবা, পিছে, পিছেপি, হয়না আদি।

**সন্দেহবোধক অব্যয় ঃ**

অনিশ্চয়তা ভাব প্ৰকাশক অব্যয়বোৰক সন্দেহ বোধক অব্যয় বোলে। সন্দেহবোধক অব্যয় কিছুমান হ'ল - যদি, যদ্যপি, কিজানি, জানোচা ইত্যাদি। শৰণীয়া-কছাৰীসকলৰ ভাষাত দুই এটি এনে অব্যয়ৰ ব্যৱহাৰ দেখা যায়। ইয়াৰ উপৰিও কিছুমান স্বকীয় অব্যয়ৰ ব্যৱহাৰ দেখা যায়। যেনে -

কিজানি, না, যিদি, হয়না, হে আদি।

**ভাববোধক অব্যয় ঃ**

ভাববোধক অব্যয় শব্দবোৰে সুখ, দুখ, বেজাৰ, লাজ, ভয়, ঘৃণা, আশ্চৰ্য আদি ভাব প্ৰকাশ কৰে। যেনে - হায়-হায়, হায়, আঃ, উঃ, ছিঃ, হাও, আহা, ইচো, হায়ো ইত্যাদি। যেনে -

অহো, আচ, আয়েচি'কো, ইচো, উচ, চি/ছিয়ো, হায়ো, হায় আদি।

**আনুসঙ্গিক অব্যয় ঃ**

বিশেষ্য আৰু সৰ্বনাম শব্দৰ পিছত বহি অৰ্থ ভিন্ন কৰা শব্দবোৰক আনুসঙ্গিক অব্যয বোলে। শৰণীয়া-কছাৰীসকলৰ ভাষাতো আনুসঙ্গিক অব্যয় শব্দৰ ব্যৱহাৰ কিছু পৰিমাণে দেখা যায়। যেনে - সৈতে, হতুৱাই, হে, হি, ধৰি, লিগি, দৰে, নিচিনা, বাজে, বাহিৰে,. ইত্যাদি, কাৰণে আদি। উদাহৰণ স্বৰূপে

ধৰি, লিগি, সতে আদি।

**সম্বোধনবোধক অব্যয় ঃ**

সম্বোধনবোধক অব্যয়বোৰ সাধাৰণতে কোনো ব্যক্তি বা প্ৰাণীক মাতোতে ব্যৱহাৰ হয়। যেনে - অ’, এ, ঐ, হে, হেৰ, হেৰি, হয়ে ইত্যাদি। শৰণীয়া-কছাৰীসকলৰ মাজত ব্যৱহৃত তেনে কিছুমান অব্যয় হ’ল -

ওই, ঐ, হয়না, হেই, হেৰা আদি।

**প্ৰশ্নবোধক অব্যয় ঃ**

যিবিলাক অব্যয় শব্দই প্ৰশ্ন কৰা বুজায় তেনেবোৰ অব্যয় শব্দক প্ৰশ্নবোধক অব্যয় বোলে। যেনে - নে, নো, জানো, না আদি। শৰণীয়া-কছাৰীসকলৰ মাজত ব্যৱহৃত তেনে কিছুমান প্ৰশ্নবোধক অব্যয় হ’ল -

কিনু, কিয়া, না, নিকি, নে আদি।

**সমিধানবোধক অব্যয় ঃ**

মানুহৰ কথা বা আচৰণৰ উত্তৰ স্বৰূপে ব্যৱহাৰ হোৱা অব্যয় শব্দবোৰকে সমিধানবোধক অব্যয় বোলে। যেনে - ও, বাৰু, ভাল, এৰা, হয়, হৈছে, ওহ ইত্যাদি। শৰণীয়া-কছাৰী সমাজত ব্যৱহৃত কেইটামান সমিধানবোধক অব্যয় হ’ল -

অ/ইয়ো, এহে, ওহ, তে, বাৰু, ভাল

### ৩.১.৭ ক্ৰিয়াৰ নঞৰ্থক ৰূপ ঃ

নহয় অৰ্থ বুজাবলৈ সাধাৰণতে অসমীয়াত ক্ৰিয়াৰ আগত নাস্ত্যাৰ্থক ৰূপ ‘ন’ যোগ হয় আৰু ক্ৰিয়াপদটোৰ প্ৰথম স্বৰধ্বনি অনুযায়ী ন্যাস্তাৰ্থক ৰূপৰ সলনি হয়। মান্য ভাষাৰ দৰে শৰণীয়া-কছাৰীসকলৰ ভাষাৰ কথিত ৰূপতো ‘ন’ উপসৰ্গটো ক্ৰিয়াপদৰ আগত বহে যদিও শব্দৰ ক্ষেত্ৰত দুই-এটি পাৰ্থক্য পৰিলক্ষিত হয়। অৱশ্যে ক্ৰিয়াপদৰ প্ৰথম স্বৰধ্বনি অনুযায়ী তাৰ সমীভৱন কথিত ৰূপতো দেখা যায়। উদাহৰণ স্বৰূপে -

| ক্ৰিয়াপদ | ক্ৰিয়াপদৰ ন্যাস্তাৰ্থক ৰূপ | মান্য অসমীয়া |
|---|---|---|
| উঠিলাক - | নুঠিলাক | নুঠিলে |
| কৰ্‌বি - | ন-কৰ্‌বি | নকৰিবি |
| খুজংতে - | নু-খুজুংতে | নোখোজোতে |
| খাবাং - | না-খাবাং | নাখাবা |
| খাবিং - | না-খাবিং | নাখাবি |
| খালাক - | না-খালাক | নাখালে |
| গিলি - | নি-গিলি | নগলি |
| জানলাং - | না-জান্‌লং | নাজানিলো |
| জানাং - | না-জান্‌ং | নাজানে |
| থবা - | ন-থ্‌বা | নথবা |
| পৰে - | ন-প্‌ৰে | নপৰে |
| লবি - | ন-ল্‌বি | নলবি |

উল্লেখিত ক্ৰিয়াৰ নঞাৰ্থক ৰূপবোৰত ইতিবাচক শব্দবোৰৰ আগত 'ন' উপসৰ্গ লগাই সাধাৰণতে নঞাৰ্থক কৰা হৈছে। কেৱল ইতিবাচক ক্ৰিয়াটোৰ স্বৰধ্বনি অনুযায়ী 'ন' উপসৰ্গটো না, নি, নু আদি হৈছে।

**৩.১.৮ পৰসৰ্গ ঃ**

শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত বিশেষ্য শব্দ বা ক্ৰিয়া শব্দৰ পিছত কিছুমান অব্যয় শব্দ পৰসৰ্গ ৰূপে যোগ দি বিশেষ অৰ্থ প্ৰকাশ কৰা হয়। শৰণীয়া-কছাৰীসকলৰ ভাষাত দুই এটি পৰসৰ্গৰ ব্যৱহাৰ হোৱা দেখা যায়। পৰসৰ্গবোৰ বিশেষ্য বা সৰ্বনামৰ পিছত বহিলে বিশেষ্যবাচক পৰসৰ্গ আৰু ক্ৰিয়াৰ পিছত বহিলে ক্ৰিয়াবাচক পৰসৰ্গ বোলে। সাধাৰণতে পৰসৰ্গবোৰৰ কোনো ধৰণৰ পৰিৱৰ্তন নহয়। ক্ৰিয়াবাচক পৰসৰ্গসমূহ স্বাৰ্থিক প্ৰত্যয়ৰ দৰে যদিও এইবোৰ স্বাৰ্থিক প্ৰত্যয় নহয়। কিয়নো এইবোৰ ধাতুৰ পিছত পোনে পোনে লগ নালাগে। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত ব্যৱহৃত বিশেষ্যবাচক

পৰসৰ্গ আৰু ক্ৰিয়াবাচক পৰসৰ্গ ব্যৱহাৰৰ উদাহৰণ তলত দিয়া হ'ল ---

### ৩.১.৮.১ বিশেষ্যবাচক পৰসৰ্গ ঃ

অসমীয়া ভাষাত ব্যৱহৃত বিভিন্ন বিশেষ্যবাচক পৰসৰ্গসমূহ যেনে - এ, দৰে, প্ৰতি, নিচিনা, দ্বাৰা, পৰা, লগ, ভিতৰ, পাছ, ওপৰ, টো, দেখোন, দি, নো, বা, পতি, সৈতে, হলে ইত্যাদিৰ দৰে শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাতো বিশেষ্যবাচক পৰসৰ্গৰ ব্যৱহাৰ দেখা যায়। তলত সেইবোৰৰ আলোচনা কৰা হ'ল -

আ ঃ সাতা (সাত), আঠা (আঠ)

আক ঃ সম্বন্ধবাচক শব্দত - মায়াক, ভায়াক, বায়াক, পিতাক

এ ঃ **নিশ্চিত অৰ্থত** - মিঠালাও এ (মিঠা লাও হয়েই)

ঃ হালধীয়া এ (হালধীয়া হয়েই)

এদি ঃ ত'ৰেদি (চকুৰেৰে)

এ ঃ কাখতে (মোৰ কাষতে)

ঃ সঁচাকে (তেওঁ সচাঁকৈ আহিব)

ওত ঃ বাগানোত (বাগানত)

কা ঃ সংখ্যাবাচক শব্দত একা (এটা), দুকা (দুটা)

কে ঃ মোতকে সি ডাঙাৰ (মোতকৈ সি ডাঙৰ)

কৈ ঃ বেচেমকৈ (বেয়াকৈ)

চু ঃ হাতত চু (হাততো)

ঃ তয়াচু (তুমিতো)

চুন ঃ তয়াৰ লগত চুন কাৰে নাই (তোমাৰ লগতচোন কোনো নাই)

দৰে ঃ সিয়াৰ দৰে মানুহ (তাৰ দৰে মানুহ)

ধৰি ঃ মোক ধৰি, তাক ধৰি

নিচ্না ঃ অয়াৰ নিচ্না ভাল (আমাৰ নিচিনা ভাল)

পিছেপি ঃ ফঁকিয়াল পিছেপি কামিল (কথাচহকী যদিও কামিলা)

পে ঃ ঘুমতিৰ পে (টোপনিৰ পৰা)

ঃ ঘৰৰ পে (ঘৰৰ পৰা)

পেৰে ঃ নৰৰ পেৰে (মানুহৰ পৰা)

ফিৰ ঃ ফিৰআহিবু (আকৌ আহিব)

ঃ ফিৰ খাবু (আকৌ খাব)

বা ঃ তয় বা কি ভাবছং (তই বা কি ভাবিছ)

লেগি ঃ বজাৰোক লেগি (বজাৰলৈ)

লিগি ঃ কাখত লিগি (কাষলৈ)

### ৩.১.৮.২ ক্রিয়াবাচক পৰসর্গ ঃ

ক্রিয়াবাচক পৰসর্গবোৰ সাধাৰণতে ক্রিয়াবাচক শব্দৰ পিছতহে যোগ হয়। মান্য অসমীয়াত ব্যৱহৃত ক্রিয়াবাচক পৰসর্গৰ কেইটামান উদাহৰণ হ'ল ঃ - হি, গৈ, চোন, দেই, দেখোন, তো, নে, হেঁতেন ইত্যাদি। তলত শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত ব্যৱহৃত ক্রিয়াবাচক পৰসর্গ কেইটামানৰ উদাহৰণ দিয়া হ'ল -

আক ঃ খালাক (খালে)

ঃ হাৰলাক (হাৰিলে)

কিজানি ঃ গেল কিজানি (গ'ল কিজানি)

চুন ঃ থাকাচুন (থাকাচোন)

ঃ আহিবিচুন (আহিবিচোন)

তে ঃ নাযাংতে (নাযাও)

ঃ খুজংতে (খোজোতে)

দে ঃ যাবা দে (যাবা দেই)

ঃ খ'ৰা দে (খোৰা দেই

দেখু ঃ আছে দেখু (আছে দেখোন)

ঃ নাই দেখু (নাই দেখোন)

না ঃ আহিম না (আহিম)

: খাবু না (খাব)

যিদি : নাহে যিদি (নাহে যদি)

হবপায় : গেল হবপায় (গ'ল হব্পায়)

: আইহালাক হবপায় (আহিলে হবপায়)

হয় : খালাং হয় (খালে হয়)

: হলা হয় (হ'ল হয়))

হেনে : মাতি হেনে (মাতি)

**৩.১.৯ বচন :**

মান্য অসমীয়া ভাষাত বচন যেনেদৰে দুবিধ, তেনেদৰে শৰণীয়া-কছাৰীৰ কথিত অসমীয়াতো বচন দুবিধ- একগনা (একবচন) আৰু বহুগনা (বহুবচন)। বচন বুজাবলৈ বচন নিৰপেক্ষ ৰূপটোৰ পিছত অথবা পুংলিংগ বাচক শব্দটোৰ পিছত কিছুমান প্ৰত্যয় যোগ কৰা হয়। এই প্ৰত্যয়বোৰে নিৰ্দিষ্টতা বাচকৰো অৰ্থ প্ৰকাশ কৰে। তলত একবচন আৰু বহুবচন বুজোৱা কিছুমান প্ৰত্যয়ৰ উল্লেখ কৰা হ'ল -

**৩.১.৯.১ নিৰ্দিষ্টতাসূচক একবচন :**

খৰ : জকখৰ (জকডাল)

খান : মুখখান (মুখখন)

টু : আপাটু (লৰাজন)

: গুৰুটো (গৰুটো)

: চৰাইটু (চৰাইটো)

যাৰ : কথাযাৰ (কথাখিনি)

**৩.১.৯.২ নিৰ্দিষ্টতাসূচক বহুবচন :**

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত বহুবচনৰ ৰূপক নিৰ্দিষ্ট কৰিবলৈ মুক্ত ৰূপটোৰ পিছত 'গি' বা 'কেই' পৰসৰ্গ যোগ দি পুনৰাই নিৰ্দিষ্টতাবাচক প্ৰত্যয় যোগ দিয়া দেখা যায়।

| | |
|---|---|
| কেইথুপনা | ঃ জাম কেইথুপনা (জাম কেইথোপা) |
| গিটা | ঃ ছাগালগিটা (ছাগলী কেইটা) |
| | ঃ হাহ্নীগিটা (হাহ কেইজনী) |

### ৩.১.৯.৩ বহুবচনবাচক প্ৰত্যয় ঃ

মান্য অসমীয়াৰ বহুবচনাত্মক প্ৰত্যয়- বোৰ, বিলাক, হ'ত, সকল, সোপা, জাক আদিৰ পৰিবৰ্তে শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত- সপা, গিলা, কেতা, মখা, গিলান, ইগলা, বৰ, হাত আদি ব্যৱহাৰ কৰিও বহুবচন কৰা হয়।

| | |
|---|---|
| খান | ঃ ছুলিখান (লৰাবোৰ) |
| গিলা | ঃ ইগিলা (এইবোৰ) |
| গিলা/ গিলান | ঃ গৰুগিলা/ গিলান (গৰুবোৰ) |
| মখা/ মাখা | ঃ ছাগাল মাখা (ছাগলীবোৰ) |
| বৰ | ঃ চৰাই বৰ (চৰাইবোৰ) |
| সপা/ সোপা | ঃ তিৰিসোপা/ তিৰিসপা (তিৰোতা বিলাক) |
| হাত | ঃ আপাহাত (লৰাবোৰ) |

### ৩.১.১০ লিংগ ঃ

মান্য অসমীয়া ভাষাৰ দৰে শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাতো পুংলিংগ, স্ত্ৰীলিংগ আৰু উভয়লিংগৰ প্ৰয়োগ দেখা যায়। লিংগ ভেদ বুজাবলৈ অসমীয়াত তিনিটা উপায় অৱলম্বণ কৰা হয়।

ক) কিছুমান পুৰুষ আৰু স্ত্ৰী বুজোৱা মুক্ত বা যুক্তৰূপ ব্যৱহাৰ কৰি,

খ) ভিন ভিন শব্দ ব্যৱহাৰ কৰি,

গ) কিছুমান প্ৰত্যয় যোগ দি।" [৫৭]

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত উক্ত তিনিওটা পদ্ধতিৰে লিংগ নিৰ্ণয় কৰা হয় যদিও মান্য অসমীয়াতকৈ সুকীয়া-সুকীয়া শব্দ ব্যৱহাৰ কৰা হয়।

---

৫৭। গোস্বামী, উপেন্দ্ৰ নাথ ঃ *অসমীয়া ভাষাৰ ৰূপকথা*, পৃ. ৭

**(ক) কিছুমান পুৰুষ আৰু স্ত্ৰী বুজোৱা মুক্ত আৰু যুক্তৰূপ ব্যৱহাৰ কৰি -**

১। মূল শব্দৰ আগত আৰু পিছত কেতবোৰ বৰ্ণ আৰু বৰ্ণসমষ্টি ব্যৱহাৰ কৰি লিংগ নিৰ্ণয় কৰা হয়।

যেনে --

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| আতা আপা (নাতি) | আবু আপী (নাতিনী) |
| আপা চলি (লৰা) | আপী চলি (ছোৱালী) |
| খাৰ খাৱা (খাৰ খোৱা) | খাৰ খাইতী (খাৰ খাইতী) |
| চুৱা খোৱা | চুৱা খাইতী |
| দাও্ৱা হাঁহ (মতা হাঁহ) | দাও্ৱী হাঁহ (মাইকী হাঁহ) |
| বজ্ৱা হাথী (মাখুন্দা) | বজ্ৱী হাথী (মাখুন্দী) |
| ভতি আপা (ভতিজা) | ভতি আপী (ভতিজী) |
| ভাগিন আপা (ভাগিন) | ভাগিন আপী (ভাগিনী) |
| মাকে আপা (লৰা খুলশালী) | মাকে আপী (ছোৱালী খুলশালী) |

**(খ) ভিন্-ভিন্ শব্দ প্ৰয়োগ কৰি, যেনে —**

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| আতা, 'ককা' | আবু, 'আইতা' |
| কাকা, 'দাদা' | বায়, 'বাইদেউ' |
| চেংৰা, 'ডেকা' | জীয়া, 'গাভৰু' |
| দাদা, 'দাদা' | বু, 'নবৌ' |
| পিতায়, 'দেউতা' | মায়, 'মা' |
| পৈয়েক, 'গিৰিয়েক' | ঘৈনেক, 'ঘৈনীয়েক' |
| বৰ, 'দৰা' | কয়না, 'কইনা' |
| বুৰা, 'বুঢ়া' | বুৰী, 'বুঢ়ী' |
| ভায়, 'ভাই' | ভুনী, 'ভনী' |

**(গ) প্ৰত্যয় যোগ দি ঃ**

কিছুমান স্ত্ৰী প্ৰত্যয় মূল শব্দৰ পিছত সংযোগ কৰিও শৰণীয়া-কছাৰীসকলৰ ভাষাত লিংগ নিৰ্ণয় কৰা হয়। বিশেষকৈ ঈ, নী, ৰী প্ৰত্যয়ৰ যোগত স্ত্ৰীলিংগ বাচক শব্দ গঠন কৰা হয়। যেনে---

| | | |
|---|---|---|
| ঈ | ঃ মুৰ্গা, 'মতা কুকুৰা' | মুৰ্গী, 'মাইকী কুকুৰা' |
| নী | ঃ মিতা, 'মিত্ৰ' | মিতানী, 'বন্ধু পত্নী' |
| | সুখী, 'সখী' | সুখিনী, 'সখিনী' |
| | জখ, 'যখ' | জখিনী, 'যখিনী' |
| | ভুত, 'ভুত' | ভুতুনী, 'ভুতুনী' |
| ৰী | ঃ চেংৰা, 'ডেকা' | চেংৰী, 'গাভৰু' |
| | চিক্ৰা, 'চঞ্চল' | চিক্ৰী, 'চঞ্চলা' |

### ৩.১.১১ কাৰক আৰু শব্দ বিভক্তি ঃ

"ক্ৰিয়াৰ লগত যাৰ অন্বয় হয় তাক কাৰক বোলে।" [৫৯] আকৌ প্ৰকৃতিৰ পিছত বহি "যিবোৰ সৰ্গই একেটা শব্দৰে ৰূপৰ সলনি ঘটাই বাক্যত ব্যৱহৃত বিভিন্ন পদৰ মাজত সম্পৰ্ক স্থাপন কৰে, সেই সৰ্গকে বিভক্তি বোলা হয়।" [৬০] অসমীয়া ভাষাত মূলতঃ বিভক্তি দুবিধ। শব্দ বিভক্তি আৰু ক্ৰিয়া বিভক্তি। যি বিলাক বিভক্তি শব্দৰ পিছত যোগ হৈ কাৰকৰ বোধ জন্মায়, তাক শব্দ বিভক্তি বোলে। কাৰকৰ সম্পৰ্ক বুজাবলৈ অসমীয়া ভাষাত দুটা পদ্ধতি গ্ৰহণ কৰা হয়।

ক. শব্দৰ পিছত বিভক্তি যুক্ত কৰি

খ. শব্দৰ পিছত বিভক্তি যোগ দিয়াৰ পিছত পৰসৰ্গ যোগ দি।

আকৌ যিবোৰ বিভক্তি ধাতুৰ পিছত যোগ হৈ বিভিন্ন কাল, পুৰুষ আৰু ভাব প্ৰকাশ কৰে তাক ক্ৰিয়া বিভক্তি বোলে। "বিভক্তিবোৰ ভাষাৰ গঠনমূলক ৰূপ আৰু কাৰকবোৰ হ'ল বিভক্তি বোৰৰ প্ৰয়োগগত

---

৫৯। গোস্বামী, উপেন্দ্ৰ নাথ ঃ *অসমীয়া ভাষাৰ ৰূপকথা,* পৃ. ১৭

৬০। হাজৰিকা, লক্ষী ঃ *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিতি,* পৃ. ৮৯

অৰ্থাৎ ব্যৱহাৰিক অৰ্থ। বিভক্তিবোৰ ৰূপ, কাৰক সিহতৰ কাৰ্য (Function) বা অৰ্থ।" [৬১] মান্য অসমীয়াত কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ এই ছয়টা কাৰক আছে। সম্বন্ধক কাৰক বোলাৰ পৰিৱৰ্তে অসমীয়াত ইয়াক পদ বুলিহে ধৰা হৈছে। সেই অনুসাৰে ছয়টা কাৰকৰ অপাদানৰ বাহিৰে বাকী কাৰক বোৰৰ সুকীয়া বিভক্তি আছে। সম্বন্ধ পদ কাৰক নহয় যদিও তাৰ সুকীয়া বিভক্তি আছে। আনহাতে অপাদান কাৰকৰ পঞ্চমী বিভক্তি হিচাপে সম্বন্ধ পদৰ ষষ্ঠী বিভক্তি 'ৰ' পিছত পৰসৰ্গ 'পৰা' ব্যৱহাৰ কৰা হয়। এইফালৰ পৰা মান্য অসমীযাত ছয়টা কাৰক আৰু ছয়টা বিভক্তিহে আছে।

মান্য অসমীয়া ভাষাৰ দৰে শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাতো কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ এই ছয়বিধ কাৰক আৰু এটা সম্বন্ধ পদ আছে। ইয়াৰে কৰ্তা, কৰ্ম, কৰণ, অধিকৰণ আৰু সম্বন্ধ পদৰ সুকীযা বিভক্তি আছে। সেই হিচাপে শৰণীয়াসকলৰ কথিত অসমীয়া ভাষাত শব্দ বিভক্তিৰ সংখ্যা পাঁচটা। আনহাতে নিমিত্ত কাৰক আৰু অপাদান কাৰক বুজাবলৈ কথিত ভাষাটোত সুকীয়া বিভক্তি দেখা নাযায়। মান্য অসমীয়াৰ দৰে কথিত ভাষাটোত কাৰকৰ সম্পৰ্ক বুজাবলৈ শব্দৰ পিছত পোনে পোনে বিভক্তি যুক্ত, তাৰ পিছত পৰসৰ্গ যোগ দিয়া হয়। নিমিত্ত কাৰক বুজাবলৈ অধিকৰণ কাৰকৰ সপ্তমী বিভক্তিৰ চিন 'ত' ব্যৱহাৰ কৰা হয়। যেনে -

| **মান্য অসমীয়া** | **শৰণীয়া-কছাৰী** |
|---|---|
| কলেজলৈ | কলেজত |
| পথাৰলৈ | পথাৰত |

সেইদৰে অপাদান কাৰকত পঞ্চমী বিভক্তি হিচাপে সম্বন্ধ পদৰ ষষ্ঠী বিভক্তিৰ চিন **'ৰ'** ৰ পিছত বহা **'পৰা'** অনুপদৰ ঠাইত শৰণীয়া-কছাৰীৰ কথিত ৰূপৰ 'পে', 'পেৰে' অনুপদ যোগ দিয়া হয়। যেনে -

| **মান্য অসমীয়া** | **শৰণীয়া-কছাৰী** |
|---|---|
| মানুহৰ পৰা | নৰৰ পে/ পুৰুচৰ পেৰে |

তলত শৰণীয়া-কছাৰীসকলৰ ভাষাৰ কথিত ৰূপৰ কাৰক অনুসাৰে বিভক্তিসমূহৰ এখন তালিকা দিয়া হ'ল -

৬১। গোস্বামী , গোলোক চন্দ্ৰ ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, পৃ. ১৭৬

তালিকা নং ১

| সংখ্যা অনুযায়ী | কাৰক অনুযায়ী | কথিত ৰূপৰ শব্দ বিভক্তি | | মান্য অসমীয়া ভাষাৰ শব্দ বিভক্তি | |
|---|---|---|---|---|---|
| | | ব্যঞ্জনান্ত | স্বৰান্ত | ব্যঞ্জনান্ত | স্বৰান্ত |
| প্ৰথমা | কৰ্তা | এ | ই | এ | এ/ ই |
| দ্বিতীয়া | কৰ্ম | উক | ক | অক | ক |
| তৃতীয়া | কৰণ | এৰে, উৰে, হাতে | ই হেতি | এৰে, এদি | ৰে |
| চতুৰ্থী | নিমিত্ত | ওক লেগি/ ওত | ক লেগি | অলৈ | লৈ |
| পঞ্চমী | অপাদান | লেগি/ উক, পেৰে/ পে | ৰ | অৰ / অৰো | ৰ পৰা |
| ষষ্ঠী | সম্বন্ধ (পদ) | ওৰ/ উৰ | ত | অৰ | ৰ |
| সপ্তমী | অধিকৰণ | উত | | অত | ত |

তলত শৰণীয়া-কছাৰীসকলৰ ভাষাত পোৱা শব্দ বিভক্তি সমূহৰ প্ৰয়োগৰ উদাহৰণ দাঙি ধৰা হ'ল --

| বিভক্তি | কথিত ভাষা | মান্যভাষা |
|---|---|---|
| **প্ৰথমা বিভক্তি** | | |
| ই/এ | মই ভাত খাছ্ং। | মই ভাত খাইছোঁ। |
| | গৰুৱে মাচ নাখায়.। | গৰুৱে মাছ্ নাখায়। |
| **দ্বিতীয় বিভক্তি** | | |
| ক, উক | ঘৰোক যাং যৌ। | ঘৰলৈ যাও বলা। |
| **তৃতীয়া বিভক্তি** | | |
| এৰে, উৰে | মুৰ কাযেদি মানুহটু গেল । | মোৰ কাযেৰে মানুহজন গ'ল। |
| হাতে/এদি | | |
| ই হেতি/এ | | |
| **চতুৰ্থী বিভক্তি** | | |
| ওত/ওক/উত | পথাৰোত কুন কুন গেছি। | পথাৰলৈ কোন কোন গৈছে। |
| লগি/ক লেগি | ঘৰোক লেগি যাবি নেকি । | ঘৰলৈ যাবা নেকি। |
| **পঞ্চমী বিভক্তি** | | |
| পে/পেৰে | ঘুমটিৰ পে সাৰ পৰা নাছিলং। | টোপনিৰ পৰা সাৰ পোৱা নাছিল। |
| | সি ম'ৰ পেৰে দিনে আতৰত থাকে। | সি মোৰ পৰা সদায় আতৰত থাকে। |
| **ষষ্ঠী বিভক্তি** | | |
| কে | অমলাকে ধৰি ৫ জনী। | অমলাৰ সৈতে ৫ জনী। |
| ৰ | ৰানীৰ হাত গাং। | ৰানীৰ হাত খালী। |
| ওৰ | ঘৰোৰ পে আহ্লো | ঘৰৰ পৰা আহিলো |
| **সপ্তমী বিভক্তি** | | |
| উত/ত/উতো | অ'য়োৰ পাৰতে দ'মাহী চভা পাতা নাছিল। | আমাৰ চুবুৰীত বিহু সন্মিলন পতা নাছিল। |
| | তায়া উৰং চময়োত আহা নাছিল। | তাই বসন্ত কালত অহা নাছিল। |
| | অ'য়ো সাজুতো দিখুন নায়। | আপুনি ঘৰতো দেখো নাই। |

মনকৰিবলগীয়া যে শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত দ্বিতীয় বিভক্তি আৰু চতুৰ্থী বিভক্তিৰ পাৰ্থক্য দেখা নাযায়। উদাহৰণ স্বৰূপে ----

সিয়াক মাতিছে (তাক মাতিছে) দ্বিতীয় বিভক্তি ওক/আক/ক

ঘৰোক লেগি যাবি নিকি (ঘৰলৈ যাবা নেকি) চতুৰ্থী বিভক্তি ওক

**৩.১.১২ শব্দ ৰূপ ঃ**

শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত শব্দ বিভক্তিসমূহ স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দৰ পিছত সম্বন্ধ পদ আৰু বিভিন্ন কাৰকত কেনেদৰে লগ লাগে আৰু সিহঁত লগ লগাৰ পিছত মূল শব্দটোৰ কেনেধৰণৰ পৰিবৰ্তন হয়, তাৰ দুটামান উদাহৰণ দাঙি ধৰা হ'ল ---

স্বৰান্ত শব্দ ঃ 'আ' কাৰন্ত শব্দ 'আতা' (ককা)

| সংখ্যা | কাৰক | একবচন | বহুবচন |
|---|---|---|---|
| প্ৰথমা | কৰ্তা | আতাই | আতাহাতে |
| দ্বিতীয়া | কৰ্ম | আতাক | আতাহাতুক |
| তৃতীয়া | কৰণ | আতাৰ কাষেদি | আতাহাতুৰ কাষেদি |
| চতুৰ্থী | নিমিত্ত | আতাক লেগি | আতাহাতুক লেগি |
| পঞ্চমী | অপাদান | আতাৰ পেৰে/পে | আতাহাতুৰ পেৰে/পে |
| ষষ্ঠী | সম্বন্ধ (পদ) | আতাৰ | আতাহাতুৰ |
| সপ্তমী | অধিকৰণ | আতাত | আতাহাতুত |

**ব্যঞ্জনান্ত শব্দ ঃ ‘শুহুৰ’ (শহুৰ)**

| সংখ্যা | কাৰক | একবচন | বহুবচন |
|---|---|---|---|
| প্ৰথমা | কৰ্তা | শুহুৰে | শুহুৰহাতে |
| দ্বিতীয়া | কৰ্ম | শুহুৰক | শুহুৰহ্তুক |
| তৃতীয়া | কৰণ | শুহুৰেহেতি | শুহুৰহাতে হেতি |
| চতুৰ্থী | নিমিত্ত | শুহুৰক ধৰি/লেগি | শুহুৰহাতোক ধৰি/লেগি |
| পঞ্চমী | অপাদান | শুহুৰৰ পে/ পেৰে | শুহুৰহাতুৰ পে/পেৰে |
| ষষ্ঠী | সম্বন্ধ (পদ) | শুহুৰৰ | শুহুৰহাতুৰ |
| সপ্তমী | অধিকৰণ | শুহুৰুত | শুহুৰহাতুত |

### ৩.১.১৩ প্ৰত্যয় ঃ

প্ৰকৃতি বা মূলৰ লগত বিভিন্ন অৰ্থত যিবোৰ বৰ্ণ বা বৰ্ণ সমষ্টি যোগ হৈ নতুন নতুন শব্দ বা পদ ৰচিত হয় তাকেই প্ৰত্যয় বোলে।

প্ৰত্যয় তিনিবিধ ঃ-

(ক) কৃৎ প্ৰত্যয় (Primary Suffixes)

(খ) তদ্ধিত প্ৰত্যয় (Secondary Suffixes)

(গ) স্ত্ৰী প্ৰত্যয় (Feminine Suffixes)

অসমীয়া ভাষাত ব্যৱহৃত কিছুমান কৃৎ, তদ্ধিত আৰু স্ত্ৰী প্ৰত্যয় হ’ল - ই, অন, অনী, অনা, অনি, অতি, অতী, অৰী, অৰীয়া, উৱা, আল, অতীয়া, অনীয়া, ওতে, ইলে, ইলত, ইব ইত্যাদি। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাতো মান্য ভাষাত ব্যৱহৃত প্ৰত্যয় সমূহকে দেখা যায় যদিও প্ৰত্যয়সমূহৰ ৰূপ সুকীয়া। তলত শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত ব্যৱহৃত কৃৎ আৰু তদ্ধিৎ প্ৰত্যয়ৰ নমুনা দাঙি ধৰা হ’ল ---

**৩.১.১৩.১ কৃৎ প্ৰত্যয়** (Primary Suffixes) ঃ

ধাতু বা ক্ৰিয়াৰ মূলৰ লগত যিবোৰ প্ৰত্যয় যোগ হয় তেনে প্ৰত্যয়বোৰক কৃৎ প্ৰত্যয় বোলে। শৰণীয়া কছাৰীসকলৰ কথিত ভাষাত থকা কেইটামান কৃৎ প্ৰত্যয়ৰ উদাহৰণ হ'ল -

| | |
|---|---|
| অন | ঃ ৰান্ধন (ৰন্ধা) |
| অনা | ঃ বাজ্না (বাজনা) |
| অনি | ঃ ফিকুৰনি (ফেকুৰনি) |
| আক | ঃ ধৰলাক (ধৰিলে) |
| | ঃ শুলাক (শুলে) |
| ই | ঃ যাবি (যাবা) |
| | ঃ মাৰ + ই = মাৰি |
| ইবা (ইব) | ঃ কাটিবা (কাটিব) |
| | ঃ চিৰ্বা (ফালিব) |
| ইবু (ইব) | ঃ মৰিবু (মৰিব) |
| | ঃ খাবু (খাব) |
| ঈ | ঃ ফেকুৰী (ফেকুৰ) |
| ঈয়া | ঃ জিৰনীয়া (জিৰনীয়া) |
| এনী/অনি | ঃ ৰুৱেনী (ৰোৱনী) |
| | ঃ ভাজেনী (কাটন তিৰোতা) |
| ওতে/অতে/ঙতে | ঃ থাকুতে (থাকোতে) |
| | ঃ খাংতে (খাওতে) |

**৩.১.১৩.২ তদ্ধিত প্ৰত্যয়** (Secondary Suffixes) ঃ

প্ৰাতিপদিকৰ পিছত যিবোৰ প্ৰত্যয় যোগ হয় তাকেই তদ্ধিত প্ৰত্যয় বোলে। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত থকা কেইটামান তদ্ধিত প্ৰত্যয়ৰ উদাহৰণ হ'ল -

| | |
|---|---|
| অনি/এনী | ঃ ফিকুৰনি (ফেকুৰনি) |
| | ঃ ফুলেনি (ফুলনি) |

| | |
|---|---|
| অনী | ঃ খাৰনী (খাৰ) |
| অনীয়া | ঃ সমনীয়া |
| অৰীয়া | ঃ লগৰীয়া |
| আ | ঃ ভোবোৰা |
| | ঃ আতিআ (আলি) |
| আল | ঃ ফাঁকিয়াল (কথাচহকী) |
| | ঃ নৰমাল (নৰম) |
| ইয়া | ঃ চুচিয়া (চুচি) |
| | ঃ মুচিয়া (মাজি) |
| ইয়া | ঃ ভৰিয়া (ভৰ্তি) |
| ঈ | ঃ কেৰেঙী (ক্ষীণ / জাতিলাউ) |
| | ঃ পাচী (পাপী) |
| ঈয়া | ঃ গুৰ্খীয়া (গৰখীয়া) |
| | ঃ লুণীয়া (লুণীয়া) |
| ঈয়াই (ঈয়া) | ঃ ঢুলীয়াই (ঢুলীয়া) |
| | ঃ কালীয়াই (কালীয়া) |
| উঐ (আল) | ঃ ঘাটুঐ (ঘাটোৱাল) |
| উৰা | ঃ ধাৰুৰা (ধৰুৰা) |
| এ (ঈয়া) | ঃ কুম্লে (কুমলীয়া) |

**৩.১.১৩.৩ স্ত্ৰী প্ৰত্যয় ঃ**

নাম শব্দৰ স্ত্ৰী লিংগ বুজাবলৈ যিবোৰ চিন বা প্ৰত্যয় ব্যৱহাৰ কৰা হয়, তাকেই স্ত্ৰী প্ৰত্যয় বোলে। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত পোৱা স্ত্ৰী প্ৰত্যয় কেইটা হ'ল - ঈ, নী, ৰী।

(বিশেষ দ্ৰষ্টব্য, প্ৰচ্ছদ নং ৩.১.১০ পৃ. ৯৩)

### ৩.১.১৪ নির্দিষ্টতাবাচক প্ৰত্যয় ঃ

কোনো বস্তুক নিৰ্দিষ্টকৈ বুজাবলৈ যিবোৰ প্ৰত্যয় ব্যৱহাৰ কৰা হয়, সেইবোৰ প্ৰত্যয়ক নিৰ্দিষ্টতাবাচক প্ৰত্যয় বোলে। "এই প্ৰত্যয়বোৰ বিশেষ্য, বিশেষণ আৰু সংখ্যাবাচক শব্দৰ উপৰি প্ৰথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে আন কিছুমান সৰ্বনামৰ পিছত যোগ হয়।" [৬২]

মান্য অসমীয়া ভাষাত ব্যৱহৃত প্ৰত্যয়বোৰৰ বেছিভাগে শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত ব্যৱহৃত হয় যদিও উচ্চাৰণগত আৰু শব্দগত দিশত দুই এটি পাৰ্থক্য বিদ্যমান।তেওঁলোকৰ কথিত ভাষাত ব্যৱহৃত নিৰ্দিষ্টতাবাচক প্ৰত্যয় কিছুমান তলত উল্লেখ কৰা হ'ল - জন, জনা, গৰাকী, টো, টা, টি, কণ, কণি, ফেৰা, ফেৰি, ডাল, ডালি, খন, খনি, গছ, গছি, পাট , পাটি, চটা, চটি ইত্যাদি।

| | |
|---|---|
| এ/এই | ঃ আপীয়ে গেছি (ছোৱালীজনীয়ে গৈছে) |
| | ঃ সবিতায়ে গেছি (সবিতাই গৈছে) |
| একমুঠি | ঃ একমুঠি চাউল |
| খৰ | ঃ জকখৰ (জোকডাল) |
| খান (খন) | ঃ হিয়াখান (হিয়াখন) |
| | ঃ বাগিছাখানোত (বাগিছাখনত) |
| খানি | ঃ বস্ত্ৰখানি (বস্ত্ৰখন) |
| গছা | ঃ চাকি গছা (চাকিগছ) |
| চটা | ঃ কাঠচটা |
| জন | ঃ মানুজন/পুৰুচজন (মানুহজন) |
| জুনী(জনী) | ঃ প্ৰতিজুনী (প্ৰতিজনী) |
| | ঃ মহিলাজুনী (মহিলাজনী) |
| টু | ঃ মনটু (মনটো) |
| | ঃ ইটু (এইটো) |
| নাউমান | ঃ নাউমান চেনি (চেনিফেৰি) |
| | ঃ নাউমান নিমক (লোনফেৰি) |

---

৬২। গোস্বামী, উপেন্দ্ৰ নাথ ঃ *অসমীয়া ভাষাৰ ৰূপকথা,* পৃ. ১৭

| | |
|---|---|
| ডাল | ঃ খৰিডাল / খুৰিডাল |
| | ঃ আপাডাল (তুচ্ছাৰ্থত লৰাজন) |
| হে | ঃ মুইহে যাম (মইহে যাম) |
| | ঃ খঙতহে কছু (খঙতহে কৈছো) |

**৩.১.১৫ অনিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ**

| | |
|---|---|
| কেই | ঃ কেইডাল (কিমানডাল) |
| কেহেমবাৰ (কোনদিনা) | ঃ কেহেমবাৰ পে কৈছিল (কোনদিনাৰ পৰা কৈছিল) |
| বা | ঃ কেইবাজনো |
| মেনি | ঃ দু টা মেনি, এক্‌চিতকা মেনি |

**৩.২ শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ ঃ**

শৰণীয়া-কছাৰীসকলে কোৱা কথিত অসমীয়া ভাষাটোত শব্দভাণ্ডাৰৰ ক্ষেত্ৰত অনেক স্বকীয় বৈশিষ্ট্য দেখা যায়। সম্ভৱত আন জনজাতীয় লোকৰ সংস্পৰ্শ তথা নিজে জনজাতীয় মূলৰ হোৱা কাৰণেই বহুতো শব্দৰক্ষেত্ৰত আৰু উচ্চাৰণৰ ক্ষেত্ৰত স্বকীয়তা বিদ্যমান। তেনে শব্দসম্ভাৰ সমূহৰ বিষয়ে চমুকৈ তলত উল্লেখ কৰা হ'ল -

**৩.২.১ সংখ্যাবাচক শব্দ ঃ**

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| একা | এক |
| দুকা | দুই |
| তিকা | তিনি |
| চিকা | চাৰি |
| পিকা | পাঁচ |
| চ'কা | ছয় |
| সাতা | সাত |

| | |
|---|---|
| আঠা | আঠ |
| নৌ | ন |
| দচ | দহ |
| একাএকা | এঘাৰ |
| একাদুকা | বাৰ |
| একাতিকা | তেৰ |
| একাচিকা | চৈধ্য |
| একাপিকা | পোন্ধৰ |
| একাচ'কা | যোল |
| একাসাতা | সোতৰ |
| একাআঠা | ওঠৰ |
| একা নৌ | উন্নৈশ |
| একাদচ | বিশ |

**৩.২.২ সময়বাচক শব্দ ঃ**

| **শৰণীয়া কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| একাবছৰ | একবছৰ |
| একাসাতা দুপৰ | একসপ্তাহ |
| একাত্রিচা | একমাহ |
| গৰম চময় | গ্রীষ্মকাল |
| চেৰেং সময় | শীতকাল |
| চিৰিং চময় | শৰৎকাল |
| দমাহীচভা | বিহু সন্মিলন |
| বছাৰ | বছৰ |
| বতাৰ/জলগম | বতৰ |

| | |
|---|---|
| বিহু/দ'মাহী | বিহু |
| ভবং চময় | বসন্তকাল |
| মাহা/ত্ৰিচা | মাহ |
| সাতাদুপৰ | সপ্তাহ |
| হেমং চময় | হেমন্তকাল |

**৩.২.৩ অস্ত্ৰ বিষয়ক শব্দ ঃ**

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| কঠাৰ/কুহাৰ | কুঠাৰ |
| ক'দাল | কোৰ |
| খাপৰ | যাঠি |
| গাংৰা/কুট্ৰী | কটাৰী |
| চাকু | চুৰি |
| চাৰলা | ঢাল |
| জং/জংথাৰ | জোং |
| টাক'ন/টাঙুন | টাঙোন |
| টাংনা/বাৰী | লাঠী |
| দেগাৰ | হেংদাং |
| বেৰায় | কাচি |
| বুন্দুক | বন্দুক |
| হাতমাৰী | হাতুৰী |
| হোঙাৰ বড়ী | হেংকৰী |
| টংনা | লাঠী |

**৩.২.৪ শৰীৰৰ অংগ-প্ৰত্যংগসুচক শব্দ ঃ**

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| আঠু/আনঠু | আঠু |
| আংগুলি/আঙ্লি | আঙুলি |
| উৰুত/ফেৰা | উৰু |
| উদাংপাৰি | উদং বুকু |
| ককল/কাকাল | ককাঁল |
| কান | কান |
| গল | ডিঙি |
| ঠেং | ভৰি |
| থুত্ৰি/থুতুৰি | থুতুৰি |
| দেহা/গা | শৰীৰ |
| ন'জ | নাক |
| নিতম/তপ্না/তাপ্লা | তপিনা |
| বহলপাৰি | বহল বুকু |
| ভৰিডিমা | কলাফুল |
| মাথা | মূৰ |
| মুখ/মুখা | মুখ |
| ৰাজহাড়/চিঠাহাৰদি | মেৰুদণ্ড |
| হা | অংগ |
| হাং | প্ৰত্যংগ |
| হাৰ্দি/হাৰ | হাড় |

**৩.২.৫ তাঁত-শালৰ লগত জড়িত শব্দ ঃ**

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|

| | |
|---|---|
| উৰিচা | উঘা |
| গৰ্কা/চৰ্খা | গৰকা |
| ঘুৰিচা | যতঁৰ |
| চেৰ্কি/চিৰ্কি | চেৰেকি |
| চেৰিচা/চেয়েৰি | চেৰি |
| ডাঙ্ৰিচা/ডাহাৰ চিয়েৰী | ডাঙৰ চেৰি |
| তাঁতবাতি | তাঁতশাল |
| দহি/আঁহ | সূতা |
| ব'দেহি | ব'সূতা |
| ম'হৰা/মুহুৰা | মহুৰা |
| মাকো/দেৰিচা | মাকো |

**৩.২.৬ সম্বন্ধবাচক শব্দ ঃ**

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| আতাচলি | নাতি ল'ৰা |
| আপা/ লিক্ৰা | ল'ৰা |
| আপাচলি | পুত্ৰ সন্তান |
| আপী | ছোৱালী |
| আপীচলি | পুত্ৰী সন্তান |
| আপীজোঁৱা | জোৱাই |
| আবুচলি | নাতিনী |
| কাকা | ককাই |
| কুৰমা | আলহী |
| ঘৈনাক | ঘৈণীয়েক |
| চানা আপা | সৰু লৰা |

| | |
|---|---|
| চানা আপী | সৰু ছোৱালী |
| চানা কা | সৰু ককাই |
| চলি | সন্তান |
| ডাঙাৰ কা | ডাঙৰ ককাই |
| তিৰি/ ঘৈনী | পত্নী |
| নাতিয়া | জীয়েকৰ লৰা |
| পিতে/ পিতায় | পিতা |
| পিহী | পেহী |
| পেহতে | পেহা |
| পৈয়েক/ পৈয়াৰ | গিৰিয়েক |
| বায় | বাইদেউ |
| বুৰা | বুঢ়া |
| বুৰী | বুঢ়ী |
| বৌ/ বও | নবৌ |
| ভতিআপা | ভতিজা |
| ভতিআপী | ভতিজী |
| ভায় | ভাই |
| ভায়-ভুনী | ভাই-ভনী |
| ভিনিহী/ ভিনী | ভিনদেউ |
| ভুনী/ ভুন্টি | ভনী |
| মাইজং | মাজু |
| মাকে আপা | খুলশালি (লৰা) |
| মাকে আপী | খুলশালি (ছোৱালী) |
| মোমা/ মিমি | মামা |
| মামী | মামী |

| | |
|---|---|
| মহ্তে | মহা |
| মায় | মা |
| লাগাভাগা | সম্বন্ধ |
| লিক্ৰি | পুত্ৰী |
| শাহুমায় | শাহু |
| শুহুৰ | শহুৰ |
| সুখিনী/ মিতানী | সখিয়নী |
| সুখী/ মিতা | সখী |

**৩.২.৭ লোকনামবাচক শব্দ ঃ**

**লোকনাম ঃ-**

লোকনাম বা উপনামৰ ক্ষেত্ৰত শৰণীয়া-কছাৰীসকলৰ কথিত ভাষা চহকী বুলি কব পাৰি। স্থানবাচক, ব্যক্তিবাচক আদি নামৰ ক্ষেত্ৰত ভিন্নতা দেখা যায়।

স্থানবাচক নাম সমূহ যেনে - গহাই দোং, জোকমাৰি, পতিয়া, বৰলীয়া, বেলবাৰী, মুইমাৰি, ৰামে চুবুৰী, হুঢ়াদিয়া, ইত্যাদি স্থানবাচক নামসমূহত স্থানীয় প্ৰভাৱ সুস্পষ্ট।

সেইদৰে ব্যক্তি বিশেষক বিভিন্ন ঘটনা বা কাৰ্য অনুসৰি একোটা উপনাম দিয়াটো মনকৰিবলগীয়া। উদাহৰণ স্বৰূপে বিয়াৰ দিনা তেলৰ ভাৰৰ টেকেলী ভাঙিলে কইনাজনীয়ে টেকেলী ভাঙি নাম পায়। সেইদৰে - উল্টামাৰী, উহাখোৱা, খোদ্‌লা, গুৰাখোৱা, চাইকেলমাৰী, টেকলা, পেচমাৰী, বাছমাৰী, বালিমাৰী আদি উপনামবোৰে কোনো কাৰ্য বা ঘটনাৰ ৰিজনি দিবলৈ ব্যৱহাৰ কৰা হয়। এনেদৰে বিভিন্ন দৃষ্টিকোনৰ পৰা চালে শৰণীয়া-কছাৰীৰ কথিত অসমীয়া ভাষাত বিভিন্ন সুকীয়া শব্দ পোৱা যায়, যিয়ে তেওঁলোকৰ কথিত ভাষাটোক চহকী কৰি তুলিছে।

**৩.২.৮ সংস্কৃতিৰ লগত জড়িত শব্দ ঃ**

**৩.২.৮.১ উৎসৱ-পাৰ্বনৰ লগত জড়িত শব্দ ঃ**

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| অপেশ্বৰীৰ লেঠা/উপ্ৰলিয়ে ধৰা | অপেশ্বৰীৰ পূজা |

| | |
|---|---|
| কাতিগাছা | কাতি বিহু |
| জাপা দিয়া/গাজিৰাম | কানাই |
| ধুৰনি বিয়া | নোৰাই তোলনী বিয়া |
| ফুলমালা দিয়া | জলকুঁৱৰী পূজা |
| বাঁহ পূজা | বাঁহ গোসাই পূজা |
| ভালুক নচুৱা/বাম্বোলপিটা | মহোহো |
| মজু পূজা | মনসা পূজা |
| হুকাৰ লগা/ ভাঙা | মূখ লগা |
| হোম পূজা | হোম পূজা |
| শোপ লগা | পঁয়া লগা |

**৩.২.৮.২ খেল-ধেমালিৰ লগত জড়িত শব্দ ঃ**

এদিম চেদিম খেল, কচুগুটি খেল, কচুপাতৰ খেল, কাউৰী খেল, ঘিলা খেল, ঘোঁৰাবন্ধা খেল, চকুবন্ধা খেল, চিলনী চিলনী খেল, ছাগালবন্ধা খেল, টাংগুটি খেল, পানীকাউৰী খেল, কানিমুনি খেল, বাইচ কোপ, ভাকুটকুট খেল, ভাটা খেল, লাংগুটি খেল, লুকাভাকু, হাউখেল ইত্যাদি।

**৩.২.৮.৩ অলংকাৰৰ লগত জড়িত শব্দ ঃ**

কানপাচা, গলপতা, গাম/বালা, ঘুগুৰা (নুপুৰ), জুনুৱা, টেঙাপতীয়া, তৰাপুলি, তৰাফুলীয়া, থাকমনি, নাকপুলি, বিচাহাৰ, মুঠিবাহী, মুঠিখাৰু, বালাখাৰু ইত্যাদি।

**৩.২.৮.৪ বাদ্যযন্ত্ৰৰ লগত জড়িত শব্দ ঃ**

একতাৰা, কিংকিনি, খঞ্জৰিমা, খুঁটিতাল, খমক, খেঙেৰী তাল, ঘুগুৰা, চেৰেঞ্জো, জুৰি, দুখবাঁহী, দোতাৰা, বস্ব/বস্বল বাঁহী (ডাঙৰ বিধৰ পাঁচটা বিন্ধা থকা ছিফুং বাঁহীৰ সমতুল্য বাঁহী), মঞ্জৰা, যজ্ঞৰ/যজ্ঞৰিকা (বাঁহ বাদ্য), ৰামতাল, সুখবাঁহী ইত্যাদি।

**৩.২.৮.৫ দেৱ-দেৱী, ভূত-প্ৰেত সম্পৰ্কীয় শব্দ ঃ**

আঙুলিপূৰা, আটুপূৰা, আগোন, ঔফুলি, কালী গোঁসানী, কেঁচাই খাতী, কাচুকুমাৰী, কাকৰা বাঘ, কেচাইখাইতী, কুহিমালা/কহিমালা, কছুফুলি, কপালপূৰা, কুৰকুৰি, খুন্দামাৰি, গনেস বুঢ়াদিয়া, গৃহদেৱী, গুৰিমলা, গুৰিমালা, ঘৰগোঁসানী, ঘগামাৰি, চকুপূৰা, ছয় আঙুলি, জিবাপূৰা, জিকাফুলি, টেলামাৰি, ডিলাপূৰা, তাকাই, তাগোন, থকামাৰি, দুধকুমাৰী, দুমৰী, ধনমলা/ধানমালা, পুলকুমাৰী, পেটফুলি, ফুলকুঁৱৰী, মূৰপূৰা, নাকপূৰা, নিৰু/মিৰু গোঁসানী, বণমালা, বৰলীয়া পতিয়া, বাগৰু, বান্দৰী, বুৰবুৰি, ভূতভূতি, মামই, মজু দেৱী (বিষহৰি), মকাই, মছুৰী, ৰথচালী, ৰনচিলি গোঁসানী, ৰতৰালী, ৰংমলা, ৰাতিফুলি, লালিলাং, শুংশুঙি, সুৰচনী/সুপুনী, সভানেত্ৰী গোঁসানী, সুপুনী, সুৰচনী, চিদ্ৰ গোঁসাই, হাঁহি কাৰি ইত্যাদি।

শব্দগত দিশত থকা এই বৈশিষ্ট্য সমূহে শৰণীয়া-কছাৰীসকলৰ ভাষাটোক আৰু অধিক সজীৱ আৰু প্ৰাঞ্জল কৰি তুলিছে।